# 4 (Sem-1/CBCS) FAC-HC/RC

## 2019

## FINANCIAL ACCOUNTING

( Honours/Regular )

Paper : COM-HC/RC-1026

*Full Marks* : 70

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** *(a)* Select appropriate answer from the different alternatives : 1×5=5

বিভিন্ন বিকল্পৰ পৰা সঠিক উত্তৰটো বাছি উলিওৱা :

*(i)* Normally method of valuing of asset should not be changed. This principle is known as the principle of

স্বাভাৱিকতে সম্পত্তি মূল্যায়নৰ পদ্ধতি পৰিৱৰ্তন কৰা অনুচিত। এই নীতিক জনা যায় _____ নীতি হিচাপে।

(1) business entity concept

ব্যৱসায়িক অস্তিত্বৰ ধাৰণাৰ

(2) dual concept
দ্বৈত ধাৰণাৰ

(3) full disclosure
পূৰ্ণ প্ৰকাশৰ

(4) consistency
স্থিৰভাৱে লাগি থকাৰ

*(ii)* In case of hire purchase transactions, although legally the hire purchaser does not become the owner of the asset till the payment of last instalment, he is allowed to record the asset at full cash price in his books of accounts even on the date of acquisition. This principle of accounting is known as

ভাড়া-ক্ৰয় চুক্তিৰ ক্ষেত্ৰত যদিও শেষৰটো কিস্তি নিদিয়ালৈকে ক্ৰেতা আইনগতভাৱে সম্পত্তিৰ গৰাকীস্বত্ব পাব নোৱাৰে, তথাপি সম্পত্তি গ্ৰহণ কৰাৰ দিনাখনে ক্ৰেতাই হিচাপ বহীত সম্পত্তিৰ সম্পূৰ্ণ নগদমূল্য প্ৰবিষ্টি কৰে। এই নীতিক জনা যায়

(1) full disclosure concept
পূৰ্ণ প্ৰকাশৰ নীতি হিচাপে

(2) business entity concept
ব্যৱসায়িক অস্তিত্বৰ ধাৰণা হিচাপে





(3) dual concept

দ্বৈত ধাৰণা হিচাপে

(4) substance over legal form

আইনগত কাঠামোৰ ওপৰৰ সাৰমৰ্মৰ নীতি হিচাপে

*(iii)* The total amount payable by the hire purchaser as per hire purchase agreement in order to complete the transaction is known as

ভাড়া-ক্ৰয় চুক্তিৰ ক্ৰেতাই ভাড়া-ক্ৰয় চুক্তিৰ অধীনত লেনদেন সম্পূৰ্ণ কৰিবলৈ পৰিশোধ কৰিবলগীয়া সম্পূৰ্ণ মূল্যক _____ বোলে।

(1) higher purchase price

ভাড়া ক্ৰয়ৰ মূল্য

(2) face value

লিখিত মূল্য

(3) cash price

নগদ মূল্য

(4) higher vendor cost

ভাড়া ক্ৰয়-বিক্ৰেতাৰ ব্যয়

*(iv)* Debtor system of accounting procedure of dependent branch is also known as

দেনাদাৰ পদ্ধতিৰ নিৰ্ভৰশীল শাখাৰ হিচাপ প্ৰক্ৰিয়াক _____ হিচাপে জনা যায়।

(1) Stock A/c
মজুত পণ্য হিচাপ

(2) Final System
চূড়ান্ত পদ্ধতি

(3) Stock and Debtor method
মজুত পণ্য আৰু দেনাদাৰ পদ্ধতি

(4) Synthetic system
চিন্থেটিক পদ্ধতি

*(v)* Purchase of Goods + Opening Stock + Direct Expenses – Closing Stock =

দ্ৰব্য ক্ৰয় + আৰম্ভণী মজুত পণ্য + প্ৰত্যক্ষ ব্যয় – সামৰণি মজুত পণ্য =

(1) Gross Profit
মুঠ লাভ

(2) Total Indirect Expenses
সৰ্বমুঠ অপৰোক্ষ ব্যয়

(3) Cost of Goods Sold
বিক্ৰীত দ্ৰব্যৰ ব্যয়

(4) Invoiced Price
চালানত উল্লিখিত মূল্য





*(b)* State whether the following statements are True or False : 1×5=5

তলৰ বিবৃতিসমূহ সত্য নে অসত্য প্ৰকাশ কৰা :

*(i)* Accounting Standard AS–2 deals with disclosure of significant accounting policies followed in preparing and presenting financial statements.

হিচাপৰ মানক AS–2 আৰ্থিক বিবৃতি প্ৰস্তুত আৰু উপস্থাপনত প্ৰযোজ্য হোৱা হিচাপকৰণৰ নীতিসমূহৰ প্ৰকাশৰ সতে জড়িত।

*(ii)* Under instalment purchase system, the seller treats the transction as a cash sale.

কিস্তিগত ক্ৰয় পদ্ধতিত বিক্ৰেতাই লেনদেনক নগদ বিক্ৰী হিচাপে গণ্য কৰে।

*(iii)* In the absence of any provision in the partnership deed, profit and loss are shared by partners equally.

অংশীদাৰী চুক্তিপত্ৰত কোনোধৰণৰ উল্লেখ নেথাকিলে অংশীদাৰসকলৰ মাজত লাভ-লোকচান সমানে বিভাজিত হয়।

*(iv)* For creating a company we use Alt+F2.

কোম্পানী এটা সৃষ্টি কৰিবলৈ আমি Alt+F2 ব্যৱহাৰ কৰো।

(v) The valuation of inventory affects only the income statement.

মজুত পণ্যৰ মূল্যায়নে অকল আয় বিবৃতিক প্ৰভাৱ পেলায়।

2. Answer the following questions : 2×5=10

নিম্নলিখিত প্ৰশ্নবোৰৰ উত্তৰ লিখা :

(a) "One of the methods of branch accounting is debtor system." Why is it so called?

"শাখাযুক্ত হিচাপৰক্ষণৰ এটা পদ্ধতি হ'ল দেনাদাৰ পদ্ধতি।" ইয়াক কিয় তেনেকৈ বোলা হয়?

(b) Mention two features of accounting principles.

হিচাপৰ নীতিসমূহৰ দুটা বৈশিষ্ট্য লিখা।

(c) Define International Financial Reporting Standard.

আন্তৰ্জাতিক বিত্তীয় প্ৰতিবেদনৰ মানকৰ সংজ্ঞা লিখা।

(d) Mention two objectives of income measurement.

আয় মূল্যায়ন কৰাৰ দুটা উদ্দেশ্য উল্লেখ কৰা।

(e) What do you mean by marshalling of Balance Sheet?

উদ্বৃত্ত-পত্ৰৰ সজোৰাক্ৰম মানে কি বুজা?





3. Answer the following questions : 5×4=20

নিম্নলিখিত প্ৰশ্নবোৰৰ উত্তৰ লিখা :

(a) Describe the functions of Accounting Standard Board.

হিচাপৰ মানক পৰিষদৰ কাৰ্যসমূহ বৰ্ণনা কৰা।

*Or / অথবা*

Give a brief account of the structure of Generally Accepted Accounting Principles.

সাধাৰণতে গ্ৰহণযোগ্য হিচাপৰ নীতিৰ গাঠনিৰ এটা চমু বিৱৰণ দিয়া।

(b) State the advantages of using computers in accounting.

হিচাপৰক্ষণত কম্পিউটাৰ ব্যৱহাৰৰ সুবিধাবোৰ উল্লেখ কৰা।

*Or / অথবা*

Distinguish between manual accounting and computerized accounting.

হাতেৰে প্ৰস্তুত কৰা হিচাপ আৰু কম্পিউটাৰৰ দ্বাৰা প্ৰস্তুত কৰা হিচাপৰ মাজৰ পাৰ্থক্য লিখা।

(c) Write a note on the accounting treatment of Interest Suspense Account in the books of the buyers.

গ্ৰাহকৰ বহীত সুদৰ স্থগিত হিচাপৰ হিচাপকৰণ পদ্ধতিৰ ওপৰত এটি টোকা লিখা।

*Or / অথবা*

On 1st April, 2016, Mr. *A* purchased a machine on hire purchase system and paid ₹ 10,000 as down payment and agrees to pay the balance in four annual instalments of ₹ 14,000; ₹ 13,000; ₹ 12,000 and ₹ 11,000 payable on 31st March each year. The vendor charged interest @ 10% p.a. Mr. *A* provides depreciation @ 10% p.a. on reducing balance method.

Ascertain the cash price of the machine.

2016 চনৰ 1 এপ্রিলত *A* য়ে ভাড়া ক্রয়-পদ্ধতিত এটা মেচিন ক্রয় কৰি 10,000 টকা লগে লগে পৰিশোধ কৰিলে আৰু বাকী থকাখিনি 14,000 টকা; 13,000 টকা; 12,000 টকা আৰু 11,000 টকাৰ চাৰিটা বাৰ্ষিক কিস্তি হিচাপে প্ৰতি বছৰৰ 31 মাৰ্চ তাৰিখে পৰিশোধ কৰিবলৈ সন্মতি দিলে। বিক্ৰেতাই প্ৰতিবছৰৰ বাবে 10% সুদৰ হাৰ ধাৰ্য কৰে। *A* য়ে বছৰি 10% হাৰত ক্ৰমহ্ৰাসমান পদ্ধতিত অৱক্ষয় কৰ্তন কৰে।

মেচিনৰ নগদ মূল্য গণনা কৰা।

(*d*) What is Trading A/c? Write three objectives of preparing Trading A/c.

ক্ৰয়-বিক্ৰয় হিচাপ মানে কি? ক্ৰয়-বিক্ৰয় হিচাপ প্ৰস্তুত কৰাৰ তিনিটা উদ্দেশ্য লিখা।





*Or / অথবা*

*X*, *Y* and *Z* are partners sharing profits and losses in the ratio of 3 : 2 : 1. After preparation of the final account it was found that interest on drawings @ 5% p.a. had not been taken into consideration. The drawings of the partners were *X*—₹ 15,000; *Y*—₹ 12,600 and *Z*—₹ 12,000.

Calculate the total interest on drawings.

*X*, *Y* আৰু *Z* 3 : 2 : 1 অনুপাতত লাভ আৰু লোকচান ভগাই লোৱাৰ বুজাবুজিৰে অংশীদাৰ আছিল। চূড়ান্ত হিচাপ প্ৰস্তুত কৰাৰ পিছত দেখা গ'ল যে প্ৰতি বছৰ 5% কৈ আহৰণৰ ওপৰত সুদ লেখত লোৱা হোৱা নাছিল। অংশীদাৰসকলৰ আহৰণ আছিল *X*—15,000 টকা, *Y*—12,600 টকা আৰু *Z*—12,000 টকা।

আহৰণৰ ওপৰত মুঠ সুদ গণনা কৰা।

**4.** What is meant by Differed Revenue Expenditure? Explain the basic principles that is taken into consideration in allocating expenditure as capital and revenue with examples. 3+7=10

বিলম্বিত ৰাজস্ব খৰছ মানে কি? যি কোনো ব্যয় মূলধন বা ৰাজস্ব হিচাপে আৱণ্টিত কৰোঁতে কি কি মূলনীতি লেখত লোৱা হয়, উদাহৰণসহ ব্যাখ্যা কৰা।

*Or / অথবা*

Define Accounting Standard. Explain the procedure of setting Accounting Standards in India. 3+7=10

হিচাপৰক্ষণৰ মানকৰ সংজ্ঞা দিয়া। ভাৰতত হিচাপৰ মানক প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত থকা পদ্ধতি বৰ্ণনা কৰা।

**5.** *X* Co. of Delhi has a branch at Shillong. Goods are sent by the Head Office at invoice price which is at the profit of 25% on cost price. All expenses of the branch are paid by the Head Office. From the following particulars, prepare Branch A/c and Goods sent to Branch A/c in the Head Office books : 6+4=10

দিল্লীৰ *X* কোম্পানীৰ শ্বিলঙত এটা শাখা আছে। মুখ্য কাৰ্যালয়ৰ মূল ব্যয়ৰ ওপৰত 25% লভ্যাংশ ধৰি দ্ৰব্যসমূহ চালান দিয়ে। শাখাৰ সতে জড়িত সকলো ব্যয় মুখ্য কাৰ্যালয়ে বহন কৰিছিল। নিম্নলিখিত তথ্যবোৰৰ পৰা মুখ্য কাৰ্যালয়ৰ বহীত শাখাৰ হিচাপ আৰু শাখালৈ প্ৰেৰণ কৰা সামগ্ৰীৰ হিচাপ প্ৰস্তুত কৰা :

| | ₹ (টকা) |
|---|---|
| Opening Balance : | |
| আৰম্ভণী উদ্বৃত্ত : | |
| Stock at invoice price | 11,000 |
| চালানী মূল্যত মজুত দ্ৰব্য | |
| Debtors | 1,700 |
| দেনাদাৰ | |

 *( Continued )*



| | ₹ (টকা) |
|---|---|
| Petty Cash | 100 |
| খুচুৰা ধন | |
| Goods sent to Branch at invocie price | 20,000 |
| শাখালৈ প্ৰেৰণ কৰা চালানী মূল্যত সামগ্ৰী | |
| Expenses made by Head Office : | |
| মুখ্য কাৰ্যালয়ে দিয়া খৰছ : | |
| Rent | 600 |
| ভাড়া | |
| Wages | 200 |
| মজুৰি | |
| Salary | 900 |
| দৰমহা | |
| Remittances made to Head Office : | |
| মুখ্য কাৰ্যালয়লৈ প্ৰেৰণ কৰা ধন : | |
| Cash sales | 2,650 |
| নগদ বিক্ৰী | |
| Cash collected from debtors | 21,000 |
| দেনাদাৰৰ পৰা সংগ্ৰহ কৰা নগদ ধন | |
| Goods returned by branch at invoice price | 400 |
| শাখাই ফিৰং দিয়া চালানী মূল্যত সামগ্ৰী | |

 *( Turn Over )*

| | ₹ (টকা) |
|---|---|
| Balance at the end : | |
| সামৰণি উদ্বৃত্ত : | |
| Debtors | 2,000 |
| দেনাদাৰ | |
| Petty cash | 25 |
| খুচুৰা ধন | |
| Stock at invoice price | 13,000 |
| চালানী মূল্যত মজুত দ্ৰব্য | |

*Or / অথবা*

Ajoy purchased a machine on instalment system from B. K. Co. on 01.01.2014. It was agreed that ₹ 15,000 was to be paid on signing the agreement and a sum of ₹ 15,000 was to be paid annually for 3 years. The cash price of the machine was ₹ 52,300 and the rate of interest was 10%. Depreciation is charged @ 20% on the straight line method.

Show the Interest Suspense A/c, Interest A/c and Ajoy A/c in the books of B. K. Co.

3+2+5=10

অজয়ে বি. কে. কোম্পানীৰ পৰা কিস্তিগত পদ্ধতিত এটা যন্ত্ৰ পহিলা জানুৱাৰী, 2014 তাৰিখে ক্ৰয় কৰিলে। চুক্তি স্বাক্ষৰ হোৱাৰ সময়ত 15,000 টকা আৰু প্ৰতি বছৰে 15,000 টকা তিনি বছৰলৈ পৰিশোধ কৰিবলৈ ক্ৰেতাই মান্তি হয়। যন্ত্ৰৰ নগদ দাম 52,300 টকা আৰু সুদৰ হাৰ 10%. বছৰি 20% হাৰত সৰলৰৈখিক পদ্ধতিত অৱক্ষয় ধাৰ্য কৰা হয়।

বি. কে. কোম্পানীৰ বহীত স্থগিত সুদৰ হিচাপ, সুদৰ হিচাপ আৰু অজয়ৰ হিচাপ প্ৰস্তুত কৰা।





6. From the following Trial Balance of M/s. Sharma Traders, prepare a Profit & Loss A/c for the year ended 31st March, 2019 and Balance Sheet as on that date :

3+3+4=10

মেচাৰ্চ শৰ্মা ট্ৰেডাৰ্চৰ 2019 চনৰ 31 মাৰ্চ তাৰিখত অন্ত হোৱা বছৰটোৰ বাবে নিম্নলিখিত উদ্বৃত্ত মিলন-পত্ৰৰ পৰা এখন লাভ-লোকচান হিচাপ আৰু সেই তাৰিখৰ এখন উদ্বৃত্ত-পত্ৰ প্ৰস্তুত কৰা :

| *Debit (ডেবিট)* | ₹ (টকা) | *Credit (ক্ৰেডিট)* | ₹ (টকা) |
|---|---|---|---|
| Cash in Hand<br>হাতত জমা ধন | 13,000 | Loan<br>ঋণ | 50,000 |
| Carriage Outwards<br>বিক্ৰীজনিত পৰিবহণ | 2,400 | Royalty<br>স্বত্ব কৰ | 1,200 |
| Wages and Salaries<br>মজুৰি আৰু দৰমহা | 22,100 | Sundry Creditors<br>বিভিন্ন পাওনাদাৰ | 42,500 |
| Carriage Inward<br>ক্ৰয়জনিত পৰিবহণ | 1,800 | Discount Received<br>প্ৰাপ্ত বাট্টা | 2,200 |
| Octroi Duty<br>প্ৰবেশ কৰ | 1,200 | Reserve<br>সঞ্চিত পুঁজি | 40,000 |
| Motorcar<br>মটৰ গাড়ী | 1,77,000 | Reserve for Doubtful Debt | 10,200 |
| Investment<br>বিনিয়োগ | 20,000 | অনুদ্ধাৰণীয় ঋণৰ পুঁজি<br>Commission<br>কমিচন | 1,100 |
| Bills Receivable<br>প্ৰাপ্য বিল | 23,000 | Bills Payable<br>প্ৰদেয় বিল | 18,000 |
| Sundry Debtors<br>সাধাৰণ দেনাদাৰ | 1,00,000 | Capital<br>মূলধন | 1,00,000 |
| Plant Machinery<br>কলকব্জা | 90,000 | Bank Overdraft<br>বেংকত অধিকৰ্ষ | 20,000 |
| Furniture<br>আচবাব | 20,000 | Sales<br>বিক্ৰী | 3,64,000 |
| Purchases<br>ক্ৰয় | 1,20,000 | | |

| *Debit (ডেবিট)* | ₹ (টকা) | *Credit (ক্রেডিট)* | ₹ (টকা) |
|---|---|---|---|
| Opening Stock<br>আৰম্ভণী মজুত পণ্য | 50,000 | | |
| Trade Expenses<br>ব্যৱসায়িক ব্যয় | 1,000 | | |
| Advertisement<br>বিজ্ঞাপন | 2,700 | | |
| Coal and Gas<br>কয়লা আৰু গেছ | 1,500 | | |
| Insurance<br>বীমা | 1,500 | | |
| Bad Debts<br>অনুদ্ধাৰণীয় ঋণ | 2,000 | | |
| | 6,49,200 | | 6,49,200 |

*Adjustments* :

*সংযোজন* :

*(i)* Closing Stock—₹ 50,000
সামৰণি মজুত পণ্য—50,000 টকা

*(ii)* Further Bad Debts—₹ 3,000
অতিৰিক্ত অনুদ্ধাৰণীয় ঋণ—3,000 টকা

*(iii)* Depreciate Plant & Machinery and Motorcars @ 10%
কলকব্জা আৰু মটৰ গাড়ীৰ ওপৰত 10% হাৰত অৱক্ষয় ধাৰ্য কৰা

*(iv)* Prepaid advertisement—₹ 200
অগ্ৰিম প্ৰদত্ত বিজ্ঞাপন—200 টকা

*(v)* Reserve for Doubtful Debts is to be maintained at 5% on Debtors
অনুদ্ধাৰণীয় ঋণৰ পুঁজি দেনাদাৰৰ ওপৰত 5% হাৰত ৰাখিব লাগে





*Or / অথবা*

Roni and Johnny are partners in a firm sharing profits in the ratio 3 : 2. The Trial Balance of the firm as on 31.03.2019 was as follows :

ৰণি আৰু জনি এটা প্ৰতিষ্ঠানৰ অংশীদাৰ। তেওঁলোকে 3 : 2 অনুপাতত লাভ বণ্টন কৰে। 31.03.2019 তাৰিখে তেওঁলোকৰ উদ্বৃত্ত মিলন-পত্ৰখন তলত দিয়াৰ দৰে আছিলে :

| *Debit (ডেবিট)* | ₹ (টকা) | *Credit (ক্রেডিট)* | ₹ (টকা) |
|---|---|---|---|
| Debtors<br>দেনাদাৰ | 10,000 | Trading A/c<br>বেপাৰ হিচাপ | 41,120 |
| Furniture<br>আচবাব | 10,000 | Bad Debt Recovered<br>অনুদ্ধাৰণীয় ঋণৰ পুনৰুদ্ধাৰ | 600 |
| Machinery<br>যন্ত্ৰপাতি | 31,000 | Sundry Receipts<br>বিবিধ প্ৰাপ্তি | 1,000 |
| Salaries<br>দৰমহা | 13,200 | Provision for Bad Debts<br>অনুদ্ধাৰণীয় ঋণৰ বাবে ভৱিষ্যৎ ব্যৱস্থা | 800 |
| Insurance Premium on Machinery<br>যন্ত্ৰৰ ওপৰত বীমা | 1,200 | Commission<br>কমিচন | 250 |
| Bad Debts<br>অনুদ্ধাৰণীয় ঋণ | 200 | Creditors<br>পাওনাদাৰ | 10,000 |
| Cash in Hand<br>হাতে জমা ধন | 10,400 | Rent Payable<br>দিবলগীয়া ভাড়া | 200 |
| Rent<br>ভাড়া | 6,000 | Bills Payable<br>পৰিশোধ কৰিব থকা বিল | 2,400 |
| Bank Charges<br>বেংকৰ খৰচ | 420 | Capital A/c :<br>মূলধন হিচাপ : | |
| Carriage Outwards<br>বিক্ৰীজনিত পৰিবহণ | 1,450 | Roni<br>ৰণি | 20,000 |
| Depreciation on Furniture<br>আচবাবৰ ওপৰত অৱক্ষয় | 1,000 | Johnny<br>জনি | 15,000 |

| Debit (ডেবিট) | ₹ (টকা) | Credit (ক্ৰেডিট) | ₹ (টকা) |
|---|---|---|---|
| Drawings : | | | |
| আহৰণ : | | | |
| Roni | 4,000 | | |
| ৰণি | | | |
| Johnny | 2,500 | | |
| জনি | | | |
| | 91,370 | | 91,370 |

Prepare the Profit & Loss A/c and Profit & Loss Appropriation A/c for the year ended on 31.03.2019 and a Balance Sheet as on that date after considering the following adjustments : 3+3+4=10

তলত দিয়া বিষয়সমূহ হিচাপত ধৰি 31.03.2019 তাৰিখে অন্ত পৰা বছৰটোৰ বাবে প্ৰতিষ্ঠানটোৰ লাভ-লোকচান হিচাপ আৰু লাভ-লোকচান উপযোজন হিচাপ আৰু উক্ত তাৰিখত উদ্বৃত্ত-পত্ৰ প্ৰস্তুত কৰা :

*(i)* Machinery is to be depreciated by 10%
যন্ত্ৰপাতিৰ অৱক্ষয় 10% ধাৰ্য হ'ব

*(ii)* Provision for Bad Debts is to be increased by ₹ 200
অনুদ্ধাৰণীয় ঋণৰ পুঁজিৰ ভৱিষ্যৎ ব্যৱস্থা 200 টকা বৃদ্ধি কৰা হ'ব

*(iii)* Roni was to receive salary @ ₹ 300 per month
ৰণিয়ে মাহিলি 300 টকাকৈ দৰমহা পাব

*(iv)* Interest on capital is allowed @ 5% p.a.
মূলধনৰ ওপৰত বছৰি 5% হাৰে সুদ দিয়া হ'ব

★★★